Total No. of Printed Pages—8

**HS/XII/A. Sc. Com/A/21**

# 2021

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

## ( PART : A—OBJECTIVE )

( *Marks* : 50 )

### SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**এটা** বা **দুটা** শব্দেৰে) (যি কোনো **দহটা**) : ১×১০=১০

(ক) ‘কলিতা জাতিৰ ইতিবৃত্ত’ গ্ৰন্থখন কাৰ ৰচনা?

(খ) ডান্টেৰ জন্ম ক’ত হৈছিল?

(গ) ভবেন্দ্রনাথ শইকীয়াই সম্পাদনা কৰা এখন আলোচনীৰ নাম লিখা।

(ঘ) 'বৰ্ণবোধ' গল্পৰ গল্পকাৰ কোন?

(ঙ) 'সাহিত্য' নামৰ পাঠটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(চ) সাহিত্যৰ এটা লক্ষণ কি?

(ছ) 'নাটঘৰ' কবিতাটো কাৰ ৰচনা?

(জ) নলিনীবালা দেৱীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঝ) অমূল্য বৰুৱাৰ একমাত্ৰ কবিতাপুথিখনৰ নাম কি?

(ঞ) 'কুকুৰ' কবিতাৰ কবি কোন?

(ট) 'হে অৰণ্য হে মহানগৰ' কবিতাপুথিৰ কবি কোন?

(ঠ) 'উভতি নহাৰ কবিতা' কবিতাটো কোনখন কবিতাপুথিৰ অন্তৰ্গত?

(ড) 'বৰ্ণবোধ' শব্দৰ অৰ্থ কি?

(ঢ) 'চিৰাজ' নাটকৰ মূল কি?

(ণ) সীতাৰ দেউতাকৰ নাম কি?

২। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) বিশ্বজনীনতা সাহিত্যৰ এটা ডাঙৰ লক্ষণ।

(খ) কুহেলিকা মানে কুঁৱলী।

(গ) ডান্টেৰ জন্ম হৈছিল ভাৰতত।

(ঘ) সাধাৰণতে সাহিত্য বুলিলে কিতাপক বুজায়।

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰ এজন অসমীয়া কবি।

(চ) 'বৰ্ণবোধ' গল্পত ৰমা এজনী কলেজীয়া ছাত্ৰী।

(ছ) 'চিৰাজ' এখন ধেমেলীয়া নাটক।

(জ) সাবিত্ৰীৰ একমাত্ৰ ছোৱালীজনীৰ নাম আছিল সীতা।

(ঝ) কবিয়ে সুখক তেওঁৰ জীয়াই থকাৰ মন্ত্ৰ বুলি কৈছে।

(ঞ) 'নাটঘৰ' কবিতাত জীৱনটোক নাটঘৰৰ লগত তুলনা কৰা হৈছে।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত **শব্দৰে** খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) পদাৱলী সাহিত্যৰ ৰচয়িতা _____।

(খ) কবিৰ মনত প্ৰেম আৰু _____ অভিন্ন পদাৰ্থ।

(গ) সাহিত্য জীৱনৰ _____ ।

(ঘ) ব্যক্তিৰ বহুবচনেই সমাজ আৰু সমাজৰ _____ ব্যক্তি।

(ঙ) জয়ন্তীৰ _____ বিষাইছে।

(চ) এই দলৰ খাবলৈ নোপোৱাৰ বৰ্বৰতা।
দুয়ো দলৰ _____ ।

(ছ) মই নাহোঁ মই নাহোঁ এবাৰেই আহি _____।

(জ) শূন্য আজি নাটঘৰ _____ বহি বহি ৰাতিটো পুৱাল।

(ঝ) মাহীদেউ নহয়, মাহীদেউ নহয় _____ মা।

(ঞ) বুভুক্ষা মানে _____।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) বাণীকান্ত কাকতিৰ দ্বাৰা ৰচিত তিনিখন গ্ৰন্থৰ নাম লিখা। ৩

(খ) ডান্টে কোন? কি কাৰণে তেওঁ স্বদেশৰ পৰা নিৰ্বাসিত হৈছিল? ১+২=৩

(গ) পৰাংগনা প্ৰীতি মানে কি? ৩

(ঘ) ইতিহাস, দৰ্শন, অৰ্থশাস্ত্ৰ আদিৰ সৈতে সাহিত্যৰ পাৰ্থক্য কি? ৩

(ঙ) 'বৰ্ণবোধ' গল্পত জয়ন্তী কোন? জয়ন্তীৰ ককায়েক দুজনে কি কৰিছিল? ১+২=৩

(চ) ৰমা কাৰ ঘৰৰ কাম কৰা ছোৱালী? তাই কিয় পঢ়া-শুনা এৰিবলগীয়া হৈছিল? ১+২=৩

(ছ) জীৱনটোক কবিয়ে 'জীৱন নাটৰ ভাও' বুলি কিয় কৈছে? ৩

(জ) অসমীয়া সাহিত্যত নলিনীবালা দেৱীক কি কবি বুলি জনা যায়? তেওঁৰ দুখন কবিতাপুথিৰ নাম লিখা। ১+২=৩

(ঝ) ''ফুলনিতকৈ ফুল ছিঙি থকা জনী আৰু ধুনীয়া।''

কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল? ১+১+১=৩

(ঞ) 'প্ৰভুভক্ত ঢেকুৰা' মানে কি? ৩

(ট) 'কুকুৰ' কবিতাত কবিয়ে কোন দুদল কুকুৰৰ কথা বুজাব বিচাৰিছে, লিখা। ৩

(ঠ) কন্দৰ্প কোন? তেওঁ ক'ত পঢ়া-শুনা কৰিছিল? কন্দৰ্পই সামাজিকভাৱে কাক বিয়া কৰাইছিল? ১+১+১=৩

(ড) 'চিৰাজ' নাটকৰ তিনিটা নাৰী চৰিত্ৰৰ নাম লিখা। ৩

(ঢ) 'উভতি নহাৰ কবিতা'ৰ কবি কোন? তেওঁৰ দুখন শিশুগ্ৰন্থৰ নাম লিখা। ১+২=৩

(ণ) কোন মহাশূন্য ভেদি আহিছিলোঁ অকলই,
তাকে বহি ভাবোঁ মনে মনে—

পংক্তিটোৰে কবিয়ে কি বুজাব বিচাৰিছে? ৩

## ( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'বৰ্ণবোধ' গল্পটোৰ জৰিয়তে প্ৰকৃততে কি ক'ব বিচৰা হৈছে? গল্পটো চমুকৈ আলোচনা কৰা। ২+৫=৭

(খ) সাহিত্যত কল্পনাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা। ৭

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা : ৭

''তেওঁৰ মনত বিয়েট্ৰীচ চিৰকুমাৰী, চিৰ সৌন্দৰ্যময়ী।''

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'কুকুৰ' কবিতাৰ মূলভাব লিখা।

(খ) 'উভতি নহাৰ কবিতা'ত পৃথিৱীৰ প্ৰতি কবিৰ ভালপোৱা কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকী দুদিনৰ,
সসীমৰ ৰূপ-তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) নাটক বুলিলে কি বুজা? নাটকৰ প্ৰধান উপাদানসমূহৰ পৰিচয়সূচক এটি টোকা লিখা।

(খ) 'চিৰাজ' নাটকৰ চিৰাজ চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) সাম্প্ৰদায়িক সম্প্ৰীতি 'চিৰাজ' নাটকত কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

## ( ব্যাকৰণ ভাগ )

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**): ১×৪=৪

(ক) ধান থোৱা ঘৰ

(খ) শৰৎ কালত হোৱা

(গ) বৰষুণ নোহোৱা বতৰ

(ঘ) গোটেই জীৱনব্যাপী

(ঙ) দুয়োটা চকুৰে নেদেখে যি

(চ) বিহুৰ আগদিনা

(ছ) যি শক্তিক উপাসনা কৰে

৯। ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **এছোৱা**): ৩

(ক) অধিক মাছত বগলী কণা।

(খ) আপোন ভালেই জগত ভাল।

(গ) মন কৰিলে চন, বাকৰি মাটিতে ধন।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **চাৰিটা**): ১×৪=৪

অমাতৰ মাত; অহুকাণে-পহুকাণে; কাণ-সমনীয়া; কপাল খা; হাত লৰ; গাই-বাই-চা; ধোদৰ পচলা; চুকৰ ভেকুলি।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**): ১×৪=৪

বাটৰুৱা; নামতী; খেতিয়ক; লিখনি; সোণালী; বাণিজ্যিক; খৰছী।

১২। কাৰক বুলিলে কি বুজা? কাৰক কেইবিধ? দুবিধ কাৰকৰ নাম লিখি উদাহৰণ দিয়া। ২+৩=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) পুথিভঁৰাল

(খ) তোমাৰ প্ৰিয় সাহিত্যিক

(গ) ছাত্ৰৰ কৰ্তব্য

(ঘ) পৰ্যটন ক্ষেত্ৰ হিচাপে মেঘালয়

(ঙ) বৰ্তমান সমাজত দুৰ্নীতি আৰু ইয়াৰ প্ৰতিকাৰ

★ ★ ★



11-21—1640